# Regional News Unit

All India Radio, Guwahati

0000000000

**Date :** 4-08-2024

**Time :** 0900 Hrs

## ***Assamese Morning Bulletin***

***::::::::::::::::::::::::::::::::::::::::***

**Headlines**

১। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পত দৈনিক চাৰি কোটি ৮৩ লাখ অৰ্ধপৰিবাহী চিপ উৎপাদন কৰিব পৰা যাব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰকাশ।

২। কাজিৰঙাত পঞ্চতাৰকাযুক্ত হোটেল স্থাপনৰ বাবে কৰা বুজাবুজিৰ চুক্তিয়ে ৰাজ্যৰ পৰ্যটন খণ্ডক আৰু অধিক আগুৱাই নিয়াত সহায় কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৩। ৰাজ্য চৰকাৰে টিউটৰ শিক্ষকসকলৰ সমস্যা সমাধানৰ বাবে পদক্ষেপ ল'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মন্তব্য।

৪। পেৰিছ অলিম্পিকত আজি মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসম কন্যা লাভলীনা বৰগোহাঁই চীনৰ লি কিয়ানৰ মুখামুখি।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ কলম্বোত আজি দ্বিতীয়খন খেল।

0000000

কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে জাগীৰোডত স্থাপন হ'বলগীয়া অসমৰ প্ৰথমটো ছেমি কণ্ডাক্টৰ প্ৰকল্পত দৈনিক ৪ কোটি ৮৩ লাখ অৰ্ধপৰিবাহী চিপ উৎপাদন কৰিব পৰা যাব বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি এই প্ৰকল্পৰ সৱিশেষ প্ৰকাশ কৰি শ্ৰীবৈষ্ণৱে কয় যে, ২৭ হাজাৰ কোটি টকা বিনিয়োগেৰে এই প্ৰকল্পটো স্থাপন কৰা হ'ব আৰু ইয়াৰ জৰিয়তে ১৫ হাজাৰ প্ৰত্যক্ষ তথা ১১ৰ পৰা ১৩ হাজাৰ পৰোক্ষ কৰ্ম সংস্থাপনৰ সৃষ্টি হ'ব। তেওঁ কয় যে, এই প্ৰকল্পত উৎপাদন হ'বলগীয়া চিপসমূহ বৈদ্যুতিক বাহন, যোগাযোগ আৰু নেটৱৰ্ক পৰিকাঠামোত ব্যৱহাৰ কৰা হ'ব। চলিত বৰ্ষৰ ২৯ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় মন্ত্ৰীসভাই মৰিগাঁৱত টাটাৰ অৰ্ধপৰিবাহী গোট নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনাইছিল বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে।

ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পৰ জৰিয়তে ভৱিষ্যতে অসম দেশৰ ভিতৰতে উদ্যোগ প্ৰধান ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি প্ৰকাশ কৰিছে। ২৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে জাগীৰোডত টাটা গ্ৰুপৰ সহযোগত স্থাপন হ'বলগীয়া ছেমি কনডাক্টৰ প্ৰকল্পৰ কালি ভূমিপূজন অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়। যোৱা ১৩ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধাৰশিলা স্থাপন কৰা এই প্ৰকল্পৰ ভূমিপূজন অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে টাটা চন্সৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক এন চন্দ্ৰশেখৰণে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে, টাটা গ্ৰুপে দীৰ্ঘদিন ধৰি ৰাজ্যখনৰ কল্যাণৰ অৰ্থে সহযোগিতা আগবঢ়াই আহিছে। অসমৰ চাহ বাগিছাৰ ২৯ হাজাৰ শ্ৰমিকক টাটা গ্ৰুপে কৰ্মসংস্থাপন দিয়াৰ উপৰি ১ লাখতকৈ অধিক লোকৰ জীৱিকাৰ দায়িত্ব বহন কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আনহাতে, জাগীৰোডত স্থাপন হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পই ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰখনলৈ অত্যন্ত ইতিবাচক বতৰা কঢ়িয়াই আনিছে বুলি ৰাজ্যিক বিজেপিয়ে প্ৰকাশ কৰিছে। ৰাজ্যিক বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই কালি এটা বিবৃতিৰ জৰিয়তে কয় যে, এই প্ৰকল্পই ৰাজ্যৰ প্ৰযুক্তি আৰু সংস্থাপনৰ ক্ষেত্ৰখনত নতুন মাত্ৰা প্ৰদান কৰিব।

০০০০০০০

ৰাজ্যৰ পৰ্যটন খণ্ডৰ সামগ্ৰিক বিকাশৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ অহা দেশ বিদেশৰ পৰ্যটকসকলক বিশ্বমানৰ সা-সুবিধা প্ৰদানৰ লক্ষ্যৰে কালি ৰাজ্য চৰকাৰে কাজিৰঙাত পঞ্চতাৰকাযুক্ত হোটেল নিৰ্মাণৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। মুখ্যমন্ত্ৰীৰ  উপস্থিতিত ভাৰতীয় হোটেল কোম্পানী লিমিটেডৰ সৈতে অসম পৰ্যটন উন্নয়ন নিগম আৰু এমালগেমেটেড প্লেণ্টেছন প্ৰাইভেট লিমিটেডৰ এই বুজাবুজিত চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ অধীনত ১২০ কোটি টকা বিনিয়োগ কৰা হ'ব। কাজিৰঙাত নিৰ্মাণ হ'বলগীয়া পঞ্চতাৰকাযুক্ত হোটেলখনত ৭৫ ৰ পৰা ১০০ টা কোঠা থাকিব আৰু এই প্ৰকল্পৰ দ্বাৰা প্ৰায় ২০০ গৰাকী যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙাত নিৰ্মাণ হ'বলগীয়া পঞ্চতাৰকাযুক্ত হোটেলখনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ আগমন বৃদ্ধি কৰিব বুলি আশা ব্যক্ত কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙা ভ্ৰমণ কৰাৰ উপৰি তাত এনিশা কটাই যোৱাৰ পাছত ৰাষ্ট্ৰীয় উদ্যানখনলৈ অভিলেখসংখ্যক পৰ্যটকৰ আগমন ঘটিছে। তেনে ক্ষেত্ৰত হোটেল স্থাপনৰ বাবে বুজাবুজিৰ চুক্তিয়ে ৰাজ্যৰ পৰ্যটন খণ্ডটোক আৰু অধিক আগুৱাই নিয়াত সহায় কৰিব বুলিও তেওঁ কয়। আনহাতে গুৱাহাটীৰ জাগীৰোড পথত আন এখন বিলাসী হোটেল স্থাপন কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে, দেশৰ উন্নয়ন ৰাজ্যসমূহৰ সৰ্বাত্মক আৰু ক্ষীপ্ৰ উন্নয়নৰ ওপৰত নিৰ্ভৰ কৰে। সকলো ৰাজ্যই পৰস্পৰৰ শ্ৰেষ্ঠ কাৰ্য শৈলী আৰু অভিজ্ঞতাৰ পৰা শিক্ষা লৈ আগবঢ়া উচিত বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। কালি ৰাষ্ট্ৰপতি ভৱনত ৰাজ্যপালসকলৰ দুদিনীয়া সন্মিলনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে কয়। ৰাষ্ট্ৰপতিগৰাকীয়ে সামৰণি মন্তব্যত পাৰস্পৰিক শিকনৰ মনোভাৱেৰে সৰ্বাত্মক আলোচনাৰ বাবে ৰাজ্যপালসকলে চলোৱা সমূহীয়া প্ৰচেষ্টাৰ শলাগ লয়। জনসাধাৰণৰ কল্যাণ আৰু ৰাজ্যপালৰ কাৰ্যালয়ৰ কাম-কাজ উন্নত কৰি তোলাৰ বাবে লাভ কৰা পৰামৰ্শসমূহ ৰূপায়ণ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, কোনো যোগ্য হিতাধিকাৰী যাতে জনকল্যাণ কাৰ্যসূচীসমূহৰ পৰা বাদ পৰি যাবলগীয়া নহয় তাক সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সমাজৰ শেষৰজন ব্যক্তিকো সামৰি লোৱাত বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু এই প্ৰচেষ্টাই জনসাধাৰণৰ জীৱন উন্নত কৰি তুলিছে।

সামৰণি অনুষ্ঠানত ভাষণ দি উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে, ৰাজ্যপালসকলে তথ্য বিচৰাৰ ক্ষেত্ৰত কুণ্ঠাবোধ কৰা উচিত নহয় আৰু তেওঁলোকে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ সৈতে অহৰহ যোগাযোগ বৰ্তাই ৰখা উচিত।

সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যপালসকলক ৰাজভৱনত শাসনৰ আদৰ্শ আৰ্হি বিকশাই তুলিবলৈ আহ্বান জনায়। তেওঁ লগতে কাম-কাজত প্ৰযুক্তিক আকোঁৱালি ল'বলৈ আৰু ডিজিটীয়কৰণৰ প্ৰসাৰৰ অৰ্থে কাম কৰিবলৈ ৰাজ্যপালসকলৰ প্ৰতি আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে শৈক্ষিক চৌহদসমূহক ড্ৰাগছ মুক্ত কৰি তোলাৰ বাবে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাৰে কাম কৰিবলৈ আৰু গণ আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনায়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যপালসকলৰ বিভিন্ন গোটে দাখিল কৰা প্ৰতিবেদন সন্দৰ্ভত কয় যে, ৰাজ্যপাল আৰু ৰাজভৱনসমূহৰ কাম-কাজ অধিক ফলপ্ৰসূ কৰি তোলাৰ বাবে প্ৰতিবেদনসমূহৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ ৰূপায়ণ কৰা হ'ব।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈৰ পৰা ১০ আগষ্টলৈ ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্ট ভ্ৰমণ কৰিব। এয়া হ'ব ভাৰতৰ ৰাষ্ট্ৰপতিৰ প্ৰথম ফিজি তথা টিম'ৰলেষ্ট ভ্ৰমণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্ট ইষ্ট নীতি ঘোষণা কৰাৰ পাছৰে পৰা ভাৰতে দক্ষিণ-পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ত্ৰিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফিজিত উপস্থিত হৈ ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতিয়ে ৮ আগষ্টত নিউজিলেণ্ডত উপস্থিত হ'ব।

শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত ১০ আগষ্টত টিম'ৰলেষ্টত উপস্থিত হ'ব।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্‌ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ভাৰতীয়ৰ গৰ্ব আৰু পৰিচয়ৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

ৰাজ্য চৰকাৰে টিউটৰ শিক্ষকসকলৰ সমস্যা সমাধানৰ বাবে বিবেচনাৰে আগবাঢ়িব বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। সদৌ অসম ডি এল এড টিউটৰ সংস্থাৰ প্ৰতিনিদি দল এটাৰ সৈতে কালি জনতাভৱনত শিক্ষামন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনাত মিলিত হয়। এই আলোচনাৰ অন্তত শিক্ষামন্ত্ৰীগৰাকীয়ে টিউটৰ শিক্ষকসকলৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি সামাজিক মাধ্যমযোগে সদৰি কৰিছে। আনহাতে সদৌ অসম অপ্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰী সংস্থাৰ এটা প্ৰতিনিধি দলৰ সৈতে শিক্ষামন্ত্ৰীগৰাকী কালি আন এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্যৰ শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০০

অসম প্ৰদেশ বিজেপিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। এই সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, ৰাজ্যিক বিজেপিৰ নৱনিযুক্ত প্ৰভাৰী হৰিশ দ্বিবেদী, কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে দলৰ ভালেসংখ্যক শীৰ্ষ বিষয়ববীয়া উপস্থিত থাকিব।

০০০০০০০

অসমৰ আগশাৰীৰ সংবাদপত্ৰ দৈনিক অসমে আজি ৬০ বছৰত পদাৰ্পণ কৰিছে। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই প্ৰতিষ্ঠা কৰি থৈ যোৱা এই কাকতখনে বিগত ছটা দশকজুৰি ৰাজ্যখনৰ জাতীয় জীৱনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। **দি আছাম ট্ৰিবিউন** কাকতগোষ্ঠীৰ পৰা প্ৰকাশিত কাকতখনে অসমীয়া ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনতো বৰঙণি আগবঢ়াই আহিছে। আজিৰ পৰা অহা বছৰৰ ৩ আগষ্ট পৰ্যন্ত বৰ্ণাঢ্য কাৰ্যসূচীৰে কাকতখনে হীৰক জয়ন্তী বৰ্ষ উদযাপন কৰিব। আজি দিনৰ ১০ বজাত আছাম ট্ৰিবিউন প্ৰতিষ্ঠান চৌহদত পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰা হ'ব। বিয়লি উজানবজাৰৰ বিবেকানন্দ প্ৰেক্ষাগৃহত উদ্বোধনী সভাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে উৎকোচ বিচৰা চৰকাৰী বিষয়া অথবা কৰ্মচাৰীৰ বিৰুদ্ধে অভিযোগ দিবলৈ ৬টাকৈ ফোন নম্বৰ মুকলি কৰিছে। চৰকাৰী কৰ্মচাৰীয়ে কোনো কামৰ বাবে উৎকোচ বিচাৰিলে এই নম্বৰ কেইটাৰ জৰিয়তে ভুক্তভোগীয়ে অভিযোগ দাখিল কৰিব পাৰিব। এইক্ষেত্ৰত ৬০২৬৯০১২৪৩ নম্বৰ হোটাছএপ যোগে অভিযোগ দাখিল কৰাৰ লগতে, ১৮০০৩৪৫৩৭৬৭ টোল ফ্ৰী নম্বৰটো ফোন কৰিব পাৰিব। ইয়াৰ লগতে নিয়ন্ত্ৰণ কক্ষৰ ফোন নম্বৰ ০৩৬১-২৪৬২২৯৫, আৰক্ষী অধীক্ষকৰ ৬০২৬৯০৩৪৮১ আৰু ৬০২৬৯০৩৪৮৩ৰ লগতে অতিৰিক্ত আৰক্ষী অধীক্ষকৰ ৬০২৬৯০৩৪১৮ নম্বৰ যোগেও অভিযোগ দাখিল কৰিব পাৰিব। তদুপৰি ককমনসতপঙ্শ.হসকক্সতন.কক্ত ই-মেইল যোগে অথবা টুইটাৰ হেণ্ডেল কঙ্টনযৰখঘযখপপখণ যোগেও অভিযোগ দাখিল কৰিব পাৰিব।

ooooooo

ৰাজ্যৰ বিভিন্ন স্থানত কালি বিশ্ব স্তনপান সপ্তাহ পালন কৰা হয়। এই উপলক্ষে মাজুলীৰ পীতাম্বৰ দেৱগোস্বামী অসামৰিক চিকিৎসালয়ত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। মাজুলী জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে আঁতধৰা অনুষ্ঠানটোত মাতৃদুগ্ধৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা হয়। স্তনপানৰ প্ৰণালী তথা গুৰুত্ব সম্পৰ্কে স্বাস্থ্য কৰ্মীসকলে যাতে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিব পৰা সেই বিষয়টো অনুষ্ঠানত বিশেষভাৱে আলোচনা কৰা হয়।

ooooooo

পেৰিছ অলিম্পিকত আজি মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত টকিঅ' অলিম্পিকত পদক বিজেতা লাভলীনা বৰগোহাঁই চীনৰ লি কিয়ানৰ সন্মুখীন হ'ব। খেলখন বিয়লি ৩ বাজি ২ মিনিটত অনুষ্ঠিত হ'ব। আনহাতে, পুৰুষৰ বেডমিণ্টনৰ ছিংগলছৰ ছেমি ফাইনেলত লক্ষ্য সেন, ডেনমাৰ্কৰ ভিক্টৰ এক্সেলছেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। ভাৰতীয় পুৰুষ হকী দলেও আজি গ্ৰেট ব্ৰিটেইনৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব।

শ্যুটিঙত কমনৱেলথ গেমছত সোণৰ পদক বিজেতা অনিশ ভানৱালা আৰু বিজয়বীৰ সিন্ধুই ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল শিতানৰ যোগ্যতা নিৰূপণ ৰাউণ্ডত দেশৰ হকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই শিতানৰ খেল দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ইপিনে, পাৰুল চৌধৰীয়ে মহিলাৰ ৩ হাজাৰ মিটাৰ ষ্টিপলচেজৰ প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হোৱাৰ বিপৰীতে জেচৱিন আলড্ৰিন দিনৰ আঢ়ৈ বজাত পুৰুষৰ লং জাম্পৰ যোগ্যতা নিৰূপণ ৰাউণ্ডত অৱতীৰ্ণ হ'ব।

ooooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ২ বাজি ৩০ মিনিটত আৰম্ভ হ'ব।

শৃংখলাৰ প্ৰথমখন খেল ৰোমাঞ্চকৰভাৱে ড্ৰ হোৱাৰ পাছত দুয়োটা দলেই আজিৰ খেলখনত জয়ী হোৱাৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

0000000

**NEWSPAPER REVIEW (04-08-2024) RNU**

**দৈনিক অসম** কাকতে **হীৰাখচিত বৰ্ণময় যাত্ৰাৰ অনিৰুদ্ধ গতি** শিৰোনামেৰে অসমৰ আগশাৰীৰ কাকতখনে আজি ৬০ বছৰত ভৰি দিয়াৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিএছএনএলে দেশজুৰি 4G মোবাইল সেৱা আৰম্ভ কৰিব বুলি কেন্দ্ৰীয় দূৰসংযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰাৰ **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কৃষি অৰ্থনীতিবিদসকলৰ ৩২সংখ্যক আন্তৰ্জাতিক সন্মিলনত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম, মণিপুৰ আৰু মেঘালয়ত উৎপাদিত ক'লা চাউলৰ প্ৰশংসা কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেবিনেটে ১২১ কিঃমিঃ দৈৰ্ঘ্যৰ গুৱাহাটীৰ ৰিং ৰোড নিৰ্মাণত অনুমোদন জনোৱাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

হিংসাৰ জুইত দগ্ধ মণিপুৰৰ জিৰিবাম জিলাত এটা মেইটেই পৰিয়ালৰ বাসগৃহত দুৰ্বৃত্তই অগ্নিসংযোগ কৰাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিহালী সীমান্তত অসমীয়াৰ গাঁও খালী কৰিবলৈ এবিভিএফ নামৰ অখ্যাত অৰুণাচলী সংগঠনে পোষ্টাৰিং কৰাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসম প্ৰদেশ বিজেপিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম প্ৰকাশ কৰিছে।

মণিপুৰত বিগত ৫ বছৰত ১০ হাজাৰৰো অধিক অনুপ্ৰৱেশকাৰী চিনাক্ত হোৱা বুলি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে প্ৰকাশ কৰাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

উমৰাংছ্ৰৰ ডালমিয়া চিমেন্ট লিমিটেডৰ দ্বিতীয় পৰ্যায়ৰ প্ৰকল্পত টাৱাৰ ক্ৰেন দুৰ্ঘটনাগ্ৰস্ত হোৱাত ৭ জন শ্ৰমিক আহত হোৱাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে–

**1. পদক নিশ্চিতৰ লক্ষ্যৰে আজি পেৰিছ অলিম্পিকত যুজিব লাভলীনা বৰগোহাঁইএ**

**2. ৰাজ্য গঠন হ'ল চাৰিটা আঞ্চলিক দলৰ উমৈহতীয়া মঞ্চ অসম আঞ্চলিক মৰ্চা**

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

সমাপ্ত